বাবে মূল্যবান এই সম্পদৰ সদ্ব্যৱহাৰ আৰু সংৰক্ষণ কৰাটো বৰ্ত্তমান সময়ত অতি প্ৰয়োজনীয় হৈ পৰিছে। বিজ্ঞানসম্মত পৰিকল্পনা এই ক্ষেত্ৰত অতি প্ৰয়োজনীয়। বৰ্ত্তমান ভূমি সম্পদৰ মূল্য অনুমান কৰিয়েই প্ৰত্যেক দেশে ইয়াৰ সংৰক্ষণৰ বাবে নতুন চিন্তা-চৰ্চা আৰম্ভ কৰিছে। ভূমিয়েই হৈছে ৰাজ্য তথা ৰাষ্ট্ৰ গঠনৰ প্ৰধান উপাদান। এক কথাত ক'বলৈ গ'লে ভূমি ব্যৱহাৰৰ জ্ঞান উদয়ৰ লগে লগে মানৱ সভ্যতাৰ পাতনি হয়। ভূমি সম্পদৰ ব্যৱহাৰৰ ওপৰতেই দেশৰ অৰ্থ নৈতিক উন্নতি নিৰ্ভৰ কৰে। ভূমি সম্পদ দেশ এখনৰ ৰাজনৈতিক আৰু অৰ্থ নৈতিক শক্তিৰো স্বাক্ষৰ।

ভূমি সম্পদ বিনষ্ট হোৱা বন্ধ কৰাটো আমাৰ সামাজিক তথা নৈতিক কৰ্তব্য। কাৰণ আমি যদি নিজৰ ভূমি সম্পদৰ প্ৰতি সজাগ দৃষ্টি ৰাখোঁ তেন্তে তাৰ সুফল আমিয়েই লাভ কৰিব পাৰোঁ। জনসংখ্যা বাঢ়ে কিন্তু ভূমিৰ পৰিমাণ নাবাঢ়ে। আমাৰ দেশত প্ৰতিবছৰে হাজাৰ হাজাৰ হেক্টৰ মাটি উপযুক্ত ৰক্ষণাবেক্ষণ নোহোৱাৰ ফলত পতিত বা চন্‌পৰা মাটিলৈ পৰিৱৰ্তিত হৈছে। দেশৰ জনসাধাৰণৰ সহযোগিতা অবিহনে দেশৰ ভূমি সম্পদৰ ধ্বংস ৰোধ কৰা অসম্ভৱ। মুঠতে মানৱ জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ হ'লে বৰ্ত্তমানৰ পৰাই ভূমি সংৰক্ষণৰ কথাটো চিন্তা-চৰ্চা কৰা প্ৰয়োজনীয়।

পাহাৰীয়া অঞ্চলত অনিয়ন্ত্ৰিতভাৱে কৰি থকা ঝুম খেতিয়ে ভূমিক্ষয় কৰাত যথেষ্ট অৰিহণা যোগাইছে। আনহাতে পাহাৰীয়া অঞ্চলৰ মাটি জধে মধে খন্দাৰ ফলতো পাহাৰবোৰ লাহে লাহে ধ্বংস হ'বলৈ ধৰিছে। ভূমিক্ষয় কৰাটো সহজ, কিন্তু ৰক্ষা কৰিবলৈহে টান। মনত ৰখা উচিত যে প্ৰকৃতিৰ ১ ছেঃ মিঃ ডাঠ মাটিৰ স্তৰ এটা গঢ়ি উঠিবলৈ গড়ে এক শতিকা সময়ৰ প্ৰয়োজন হয়।

ৰাজ্যখনত তথা ৰাষ্ট্ৰখনত যি প্ৰাকৃতিক ভাৰসাম্যহীনতা সৃষ্টি হ'বলৈ ধৰিছে তাক যদি ক্ৰুটিহীন ভাৱে বা যত্ন সহকাৰে সমাধান কৰা নহয় তেন্তে ই এক ভয়াৱহ সমস্যাৰ সৃষ্টি কৰিব। বৰ্তমান এক নতুন চিন্তা চৰ্চাৰ জৰিয়তে নতুন দৃষ্টিভংগী লোৱাৰ সময় আহি পৰিছে। এই সমস্যা নিৰ্মূল কৰিবলৈ প্ৰথম প্ৰয়োজন হ'ব বনাঞ্চলৰ ওপৰত সৰ্বসাধাৰণ লোকৰ নিৰ্ভৰশীলতা কমোৱা। প্ৰয়োজন হলে জীৱিকা নিৰ্বাহৰ বাবে সৰ্বসাধাৰণ ৰাইজক অইন পথ দিব লাগিব বা ৰাইজেও অইন পথ বিচাৰি ল'ব লাগিব। আইনৰ জৰিয়তে সকলো সমস্যা সমাধান কৰিব নোৱাৰি। সকলো কাৰ্যৰ ওপৰত থাকিব লাগিব জনসাধাৰণৰ আস্থা আৰু নৈতিক দায়িত্ব। এই ক্ষেত্ৰত চৰকাৰৰো বহুতো কৰণীয় আছে। বিশেষকৈ কৰ্তৃপক্ষৰ প্ৰশাসনিক দুৰ্বলতা, ৰক্ষণাবেক্ষণৰ ভুলনীতি আৰু বিভাগীয় দুৰ্নীতি আদিয়ে বৰ্তমান বনাঞ্চল ধ্বংস কৰাত বেছি উদ্‌গনি যোগোৱা যেন অনুমান হয়। বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰাকৃতিক ভাৰসাম্যতা সম্পৰ্কে জনসাধাৰণক সজাগ কৰি তোলাৰ চেষ্টা কৰিলে অৱস্থাৰ উন্নতি ঘটিব।

বৰ্তমান ৰূপত দেখা দিয়া প্ৰাকৃতিক ভাৰসাম্যহীনতা প্ৰত্যেক দেশৰ বাবে এক জ্বলন্ত

সমস্যা। মানৱ সমাজৰ অস্তিত্ব য'ত লুকাই আছে, তাক আমি ধ্বংস কৰিবলৈ লৈছো। ইয়াৰ পৰিণতি কিমান ভয়াৱহ সময়েহে মূল্যাংকন কৰিব। সম্ভাব্য পৰিণতিৰ প্ৰতি সচেতন হৈ চৰকাৰে জনসাধাৰণৰ লগত হাত মিলাই যদি কৰ্মক্ষেত্ৰত আগনাবাঢ়ে তেন্তে মানৱ জাতিৰ ধ্বংস অৱশ্যম্ভাৱী। *

—:☆:—

---

* গুৱাহাটীস্থ দক্ষিণপাৰ ভূমিসংৰক্ষণ সংমণ্ডলৰ উদ্যোগত বকোত আয়োজিত "ভূমিসম্পদ সংৰক্ষণ সপ্তাহ' ৯৩" উপলক্ষে থিতাতে লিখা ৰচনা প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিবেচিত আৰু পুৰস্কৃত। ঠাই বিশেষে হাত ফুৰাই ৰচনাখন ইয়াতে প্ৰকাশ কৰা হ'ল।

# অসমীয়া জাতি গঠনত গুৰুজনাৰ অৱদান

—বিনোদ কুমাৰ কলিতা
৩য় বাৰ্ষিক, স্নাতক মহলা

গীতাত ভগৱান শ্ৰীকৃষ্ণই কৈছে —

"যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্॥
পৰিত্ৰাণায় সাধূনাং বিনাশায় চ দুষ্কৃতাম্।
ধৰ্মসংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে॥"

এই শ্লোক দুটিৰ অসমীয়া অৰ্থ হ'ল, "হে ভাৰত যেতিয়াই যেতিয়াই ধৰ্মৰ গ্লানি, অধৰ্মৰ বৃদ্ধি হয়, তেতিয়াই মই নিজেই মানুহৰূপে পৃথিৱীত জন্ম ধৰোঁ। সাধু সকলক ৰক্ষা কৰিবৰ নিমিত্তে, দুৰ্জ্জনৰ বিনাশৰ অৰ্থে আৰু ধৰ্ম সংস্থাপনাৰ্থে মই যুগে যুগে পৃথিৱীত জন্ম গ্ৰহণ কৰোঁ।" গীতাত বৰ্ণিত এই শাশ্বত সত্যৰ উদাহৰণ পৃথিৱীৰ ইতিহাসৰ পাত মেলিলে অনেক দেখিবলৈ পাওঁ। যেতিয়াই যেতিয়াই মানৱতাৰ ধৰণী স্বৰূপ ধৰ্ম আৰু নৈতিকতাৰ স্খলন ঘটি সমাজ আৰু জাতিক অন্যায়, অধৰ্ম আৰু ব্যভিচাৰে আৱৰি-ধৰি পঙ্গু কৰি পেলোৱাৰ উপক্ৰম কৰে তেতিয়াই তেনে এক যুগ-সন্ধিত একো একোজন অৱতাৰী পুৰুষে জন্ম গ্ৰহণ কৰি সমাজ তথা জাতিক পথ প্ৰদৰ্শন কৰাই লৈ যায়।

পঞ্চদশ শতিকাৰ মাজ ভাগত ভাৰতবৰ্ষৰ অন্যান্য অংশৰ লগতে অসমতো ধৰ্মৰ ক্ষেত্ৰত এক বিপৰ্যয়ৰ সৃষ্টি হৈছিল। অধৰ্ম, অনৈক্য আৰু ব্যভিচাৰে গা-কৰি উঠি গোটেই অসমীয়া জাতিটোকে ধ্বংস কৰি পেলোৱাৰ উপক্ৰম কৰিছিল। জাতিভেদ, উচ্চ-নীচ ভেদাভেদ, হিংসা-হিংসি আদি ভাৱৰ প্ৰাবল্য ইমান বেছি হৈছিল যে মানৱতাবোধ তথা নৈতিকতাবোধৰ অপমৃত্যু ঘটিছিল। তদুপৰি তান্ত্ৰিকতাবাদৰ নামত চলিছিল অবাধ বলি বিধান। নানা জাতি উপজাতিৰ আবাসস্থল অসম দেশৰ ঐক্যৰ এনাজৰীডাল এনেভাবে ছিন্ন-ভিন্ন হৈ অসমীয়া সমাজ খন থানবান হ'ব খোজাৰ সময়তে অসমীয়া জাতিৰ ত্ৰাণকৰ্তাৰূপে আৱিৰ্ভাৱ হৈছিল শ্ৰীশঙ্কৰ দেৱৰ বৰদোৱাৰ ওচৰৰ আলিপুখুৰী গাঁৱৰ কুসুম্বৰ শিৰোমণি ভূঞাঁৰ পুত্ৰ ৰূপে। শংকৰৰ মাতৃ দেৱীৰ নাম আছিল সত্যসন্ধা। সকতে ঘাট-মাউৰা হোৱা শংকৰদেৱক বুঢ়ীমাক খেৰসুতিয়ে তুলি তালি ডাঙৰ-দীঘল কৰিছিল। বিদ্যাশিক্ষা লাভৰ অৰ্থে শংকৰক মহেন্দ্ৰ কন্দলিৰ টোলত নাম ভৰ্তি কৰি দিছিল আৰু তাতেই তেওঁৰ প্ৰতিভাৰ উমান পোৱা গৈছিল। অসাধাৰণ প্ৰতিভাৰ অধিকাৰী শংকৰ পৰবৰ্ত্তী কালত সৰ্বগুণাকৰ ৰূপে পৰিচিত হৈছিল।

শংকৰদেৱক অসমীয়া জাতিৰ জনক বুলি কোৱা হয়। আজিৰ পৰা প্ৰায় পাঁচশবছৰ পূৰ্বে তেওঁ

অনৈক্যই বিৰাজ কৰি থকা অসমীয়া জাতিটোক একতাৰ দোলেৰে বান্ধি, ঐক্য স্থাপন কৰি এটা বৃহত্তৰ অসমীয়া জাতি হিচাপে বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। অসমীয়া জাতি তথা সমাজখনক ন ৰূপত প্ৰতিষ্ঠা কৰাৰ অৰ্থে তেওঁ ধৰ্ম প্ৰচাৰৰ ওপৰত জোৰ দিছিল। কিয়নো ধৰ্মই হৈছে সমাজৰ ধৰণী। আবেগিক ঐক্য স্থাপনত ধৰ্মত বিনে আন একো বস্তু নাই। শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মটো আছিল "এক-শৰণ নাম ধৰ্ম"। এই ধৰ্মটো মহাপুৰুষীয়া ধৰ্ম নামেও জনাজাত। অসমীয়া সমাজ-জীৱনত এই ধৰ্মৰ জনপ্ৰিয়তা ইমান বেছি যে এতিয়াও বৰ্তমান এই ধৰ্মৰ সমাদৰ কমা নাই ববং বাঢ়িছেহে। গুৰুজনাই তেওঁৰ প্ৰচাৰিত ধৰ্মটোক ঠেক গণ্ডীৰ ভিতৰতে আবদ্ধ নাৰাখি নগা, গাৰো মিৰি, খাচী, যৱন আদিৰ মাজতো প্ৰচাৰ কৰিছিল। গুৰুজনাৰ মহত্ব এয়ে আছিল যে তেওঁ এজন মহান মানৱতাবাদী হিচাপে পৰিচয় দিব পাৰিছিল। ধৰ্ম প্ৰচাৰ তথা ধৰ্ম আলোচনাৰ্থে তেওঁ অসমৰ বিভিন্ন ঠাইত সত্ৰ আৰু নামঘৰ স্থাপন কৰিছিল আৰু এই সত্ৰ আৰু নামঘৰবোৰতে জাতি-বৰ্ণ নিৰ্বিশেষে সকলো লোক সমবেত হৈছিল আৰু জাতি ধৰ্মৰ ভেদাভেদ পাহৰি এক জাতি এক মানৱ সমাজ ৰূপে থিয় দিব পাৰিছিল। এখন সাম্যবাদী সমাজ স্থাপনৰ বাবে তেওঁ কৰা প্ৰয়াস কিমান মহৎ আছিল সেইটো বৰ্ত্তমান পটভূমিতো বিচাৰ কৰিব পাৰি।

নামঘৰ, সত্ৰ আদিলৈ জনসাধাৰণক সহজে আকৰ্ষণ কৰাৰ অৰ্থে তেওঁ এক অভিনৱ পন্থা লৈছিল। নামঘৰ তথা সত্ৰত তেওঁ নাম প্ৰসঙ্গৰ ব্যৱস্থা কৰিছিল। নাটক, ঝুমুৰা চিহ্নযাত্ৰা আদিৰ দৰ্শনৰ যোগেদি হেজাৰ হেজাৰ দৰ্শকৰূপী অসমীয়াক সংঘবদ্ধ কৰি মুগ্ধ কৰিছিল। নাম প্ৰসঙ্গৰ পিচত প্ৰসাদ বিতৰণৰ ব্যৱস্থা কৰিছিল আৰু সকলোৱে এই প্ৰসাদ গ্ৰহণ কৰিব পাৰিছিল। ধৰ্ম প্ৰচাৰৰ অজুহাতত নাট, পদ, গীত কাব্য আদি ৰচনা কৰাৰ লগতে গুৰুজনাই তাল, খোল, ডবা মৃদঙ্গ, কাঁহ আদি বাদ্যৰ সৃষ্টি কৰি অসমীয়া সংস্কৃতিৰ ভঁৰাল টনকিয়াল কৰি থৈ গৈছে।

সাহিত্য হৈছে যি কোনো জাতি সত্তাৰ বিবেক আৰু বৌদ্ধিক প্ৰগতিশীলতাৰ মাঁপকাঠি। সাহিত্যক বাদ দি সুসংস্কৃতিবান জাতিৰ কথা ভৱাটো তেনেই অমূলক। সেয়েহে অসমীয়া ভাষা সাহিত্যক সমৃদ্ধিশালী কৰাৰ মানসেৰে মহাপুৰুষ জনাই বেদান্ত দৰ্শন, ভাগৱত পুৰাণ, গীতা আদিৰ দৰে তত্বগধুৰ গ্ৰন্থৰ পৰা সাৰ সংগ্ৰহ কৰি কীৰ্ত্তন, দশম আদিৰ দৰে অপূৰ্ব গ্ৰন্থসমূহ ৰচনা কৰিছিল। ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আদিৰ দৰে ভালেমান নাটক ৰচনা কৰিছিল, উচ্চমান বিশিষ্ট বৰগীত সমূহ ৰচনা কৰি তাত সুৰ সংযোজন কৰিছিল। মুঠতে অসমীয়া সাহিত্যজগতলৈ গুৰুজনাৰ ইমান-খিনি অৱদান আছিল যে তেওঁৰ নামেৰেই পৰৱৰ্ত্তী সাহিত্য সমালোচকসকলে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এটা যুগ নামকৰণ কৰিছে। সেয়া হৈছে — "শংকৰী যুগ"।

মহান ভাৰতীয় সংস্কৃতিৰে এটা অংশ অসমীয়া সংস্কৃতিক এচুকত নাৰাখি সৰ্বভাৰতীয় সংস্কৃতিৰ লগত সাঙোৰ খুওৱাৰ অৰ্থেও মহাপুৰুষ জনাই

প্ৰচেষ্টা চলাই গৈছিল। সুদীৰ্ঘ বাৰ বছৰৰো অধিক কাল ধৰি তেওঁ গয়া, মথুৰা, বৃন্দাবন, কাশী, পুৰী, দ্বাৰকা, বদৰিকাশ্ৰম আদি ভাৰতৰ অনেক তীৰ্থক্ষেত্ৰ ভ্ৰমি, নানান পণ্ডিত তথা সৎ জনৰ সান্নিধ্যলৈ আহি ধৰ্মমত তথা ভাব-ভাষাৰ আদান প্ৰদান ঘটাই সমন্বয় সংস্কৃতিৰ বাট কাটি থৈ গৈছিল।

গুৰুজনাই তেওঁৰ ছকুৰি বছৰীয়া মানৱী লীলাৰ কালছোৱাত সময়ৰ প্ৰয়োজন অনুসাৰে আৰু নৈতিকতা তথা মানৱতাৰ যোগ্যতা অনুসৰি এক উপযোগী ধৰ্ম আৰু নীতিবোধ প্ৰদান কৰি অসমৰ ভাঙোনমুখী সমাজ ব্যৱস্থাক পুনৰ গঠনৰ চেষ্টা কৰিছিল, ভাষা সাহিত্য-সংস্কৃতিৰ কানন ফুলাম কৰি অসমীয়াৰ কণ্ঠত জয়মাল্য পিন্ধাই অসমীয়া জাতিটোক অভিনৱ গাঠনিৰে গাঁঠিছিল। একেধাৰে ধৰ্ম, ভাষা সাহিত্য, সংস্কৃতি আৰু সাম্যবাদ প্ৰতিষ্ঠাত যি অৱদান তেওঁ আগবঢ়াবলৈ সক্ষম হৈছিল তেনেকুৱা এজন মহা পুৰুষ অকল অসম তথা ভাৰততেই নহয় সমগ্ৰ বিশ্বতে পাবলৈ বিৰল। সেয়েহে বৰ অসমৰ ভেটি নিৰ্মাতা হিচাপে তেওঁ আজিও উজ্বল জ্যোতিষ্ক হৈ জিলিকি আছে। * ★

---

* প্ৰৱন্ধটি যুগুত কৰোঁতে "বটদ্ৰোৱা সত্ৰৰ ইতিবৃত্ত" নামৰ ধাৰ্মিক গ্ৰন্থখনৰ সহায় লোৱা হৈছে।

# পণ্ডিত বিষ্ণু নাৰায়ণ ভাটখাণ্ডে ঃ এটি পৰিচয়

—হীৰামণি দেৱী

১ম বাৰ্ষিক, স্নাতক মহলা ( কলা )

কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত ভাৰতীয় সংগীতৰ ক্ষেত্ৰত এক জাগৰণ আনি উক্ত সংগীতক নৱ-ৰূপত প্ৰতিষ্ঠা কৰাত যি কেইগৰাকী সংগীত সাধক মনীষীয়ে অৰিহণা যোগাইছিল—সেইসকলৰ ভিতৰত প্ৰয়াত পণ্ডিত বিষ্ণু নাৰায়ণ ভাটখাণ্ডেজী নিশ্চয় অন্যতম হ'ব।

১৮৬০ খ্ৰীষ্টাব্দৰ ১০ আগষ্ট, কৃষ্ণ জন্মাষ্টমীৰ দিনা বোম্বাইৰ ওচৰৰ বালকেশ্বৰ নামে ঠাইত পণ্ডিত ভাটখাণ্ডেজীৰ জন্ম হৈছিল। সংগীতপ্ৰেমী দেউতাকৰ পৰা প্ৰেৰণা পাই তেওঁ স্কুলীয়া শিক্ষাৰ লগে লগে সংগীত শিক্ষাও আয়ত্ত কৰিছিল। চেতাৰ, কণ্ঠ সংগীত আৰু বাঁহী এই তিনিওটাতেই তেওঁ বিশেষ পাৰদৰ্শিতা লাভ কৰিছিল। শেঠ বল্লভদাস, গুৰুৰাৱজী বুআঁ, মহম্মদ আলীখা, পণ্ডিত একনাথ, কল্লৱে আলীখা আদি বিখ্যাত সংগীতজ্ঞ সকলৰ ওচৰত তেওঁ সংগীত শিক্ষা লাভ কৰাৰ সুযোগ পাইছিল। কলেজীয়া শিক্ষা লাভ কৰাৰ ক্ষেত্ৰতো ভাটখাণ্ডেজী পিচ পৰি থকা নাছিল। ১৮৮৩ খৃঃত তেওঁ বি. এ. আৰু ১৮৯০ খৃঃত এল. এল. বি পৰীক্ষাত উত্তীৰ্ণ হয়। এল. এল. বি. ডিগ্ৰী লাভ কৰাৰ পাচত তেওঁ কিছুকাল ওকালতি কৰিবলৈ লৈছিল যদিও তেওঁ সংগীতৰ প্ৰতিহে আকৃষ্ট হ'ল আৰু পাচলৈ তেওঁ এগৰাকী সংগীতজ্ঞ পণ্ডিত হিচাপেহে খ্যাতি লাভ কৰিলে।

সৰুৰে পৰা সংগীতৰ প্ৰতি অসীম ধাপ থকা বিষ্ণু নাৰায়ণ ভাটখাণ্ডেজীয়ে অশেষ পৰিশ্ৰম কৰি দেশৰ বিভিন্ন প্ৰান্তত থকা সংগীতজ্ঞসকল আৰু গায়ক-বাদকসকলৰ পৰা সংগীতৰ শিক্ষা লাভ কৰি আৰু সংগীতৰ বিষয়-বস্তু সংগ্ৰহ কৰি সংগীতৰ এটি শকত আৰু বহল ভেটি ৰচনা কৰিবলৈ সক্ষম হয়। সংগীতৰ ক্ষেত্ৰত আগ-বঢ়োৱা তেওঁৰ উল্লেখযোগ্য বৰঙণিসমূহ হ'ল—শাস্ত্ৰীয় আৰু ব্যৱহাৰিক সংগীতৰ ভিতৰত এটি সমন্বয় গঢ়ি তোলা আৰু জনসাধাৰণৰ মাজত ইয়াৰ প্ৰচাৰ কৰি শাস্ত্ৰীয় সংগীতৰ ৰূপ আৰু মৰ্য্যাদা প্ৰতিষ্ঠিত কৰা। এই উদ্দেশ্যেৰে তেওঁ হিন্দুস্থানী সংগীত পদ্ধতিৰ সকলোবোৰ ৰাগক দহোটা ঠাটৰ অন্তৰ্ভুক্ত কৰি লয় আৰু তাৰ এটি বৈজ্ঞানিক ভেটি তৈয়াৰ কৰি "শ্ৰীমল্লক্ষ সংগীত" আৰু "অভিনৱ ৰাগ মঞ্জৰী" নামে পুস্তক ৰচনা কৰে। আনপিনে সংগীতৰ শাস্ত্ৰীয় ভাগৰ বহল ব্যাখ্যা সম্বলিত "হিন্দুস্থানী সংগীত পদ্ধতি" নামৰ চাৰিখন অতি মূল্যৱান পুথি তেওঁ মাৰাঠী ভাষাত লিখি উলিয়ায়। ব্যৱহাৰিক সংগীতৰ ক্ষেত্ৰতো তেওঁ "হিন্দুস্থানী সংগীত পদ্ধতি ক্ৰমিক পুস্তক মালিকা" নাম দি খেয়াল, ধ্ৰুপদ, ধামাৰ, তাড়না, লক্ষণগীত সৰগম ইত্যাদিৰ অসংখ্য ৰাগ সম্বলিত গীতৰ পুথি ছয়খন ছপা কৰি উলিয়ায়।

ইংৰাজীতো তেওঁ অতি মূল্যবান দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়ায়।

সংগীতৰ পুথি ৰচনা আৰু প্ৰকাশৰ বাহিৰেও তেওঁ ১৯১৬ খৃঃত "বৰোদাৰ মহাৰাজ"ৰ সহায়ত বৰোদা চহৰত প্ৰথমবাৰৰ বাবে এখন সংগীত সন্মিলন অনুষ্ঠিত কৰে। সেই কালত এনে এক সন্মিলনৰ গুৰুত্ব অত্যধিক আছিল। কাৰণ সেই সময়ত উচ্চ সংগীত শুনা বা শিকাৰ মুঠেই সুবিধা নাছিল। ওস্তাদসকলে ৰাজ সভাতহে গানৰ প্ৰদৰ্শন কৰিছিল। ৰেডিঅ' আদিৰো তেতিয়া প্ৰচলন হোৱা নাছিল। গতিকে সৰ্বসাধাৰণে তেনেকুৱা সংগীতৰ লগত মুঠেই পৰিচিত হ'ব পৰা নাছিল। সংগীত শিক্ষাৰ ক্ষেত্ৰত তেতিয়া বিৰাট অসুবিধাৰ সমুখীন হ'ব লগা হৈছিল। ওস্তাদসকলে একোটা ৰাগ বা গান কেবামাহলৈকে শিকাওঁতে বহুতৰ ধৈৰ্য্যচ্যুতি ঘটিছিল। এনে অৱস্থাত ১৯১৬ খৃঃৰ 'বৰোদাৰ সংগীত সন্মিলনে' জনসাধাৰণৰ মাজত এটি প্ৰবল আগ্ৰহ জগাই তুলিলে আৰু তাত "অখিল ভাৰতীয় সংগীত একাডেমী" নামে এটি সংগীত অনুষ্ঠান পাতিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ইয়াৰ পাচতো ১৯২৫ খৃঃৰ ভিতৰত আৰু পাঁচখন বৃহৎ সন্মিলন অনুষ্ঠিত কৰা হৈছিল আৰু তাত বহুতো বিখ্যাত বিখ্যাত গায়ক-বাদকৰ সমাবেশ ঘটোৱা হৈছিল। এই সন্মিলনবোৰত সংগীত সম্বন্ধীয় নানান আলোচনা আৰু প্ৰদৰ্শনী আদি কৰা হৈছিল আৰু ই জন-সাধাৰণৰ মনত সংগীতৰ প্ৰতি ধাউতি তথা আকৰ্ষণ জগাই তুলিছিল। অৱশেষত ১৯২৬ খৃঃত লক্ষ্ণৌত "মৰিস মিউজিক কলেজ" স্থাপিত হ'ল।

সংগীতৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়োৱা এই গৰাকী মহান সংগীতজ্ঞৰ ১৯৩৬ খৃঃৰ ১৯ চেপ্তেম্বৰৰ দিনা দেহাৱসান ঘটে। জীৱন কালত তেওঁ ভাৰতীয় সংগীত জগতত যি মহান অৱদান আগবঢ়াই গ'ল সিয়ে তেওঁক নিশ্চয় আমাৰ মাজত অমৰ কৰি ৰাখিব। * ☆


* [ সহায় লৈ—লেখিকা ]।

## জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতি—১৯৯২-৯৩ চন।



থিয় হৈ : ( বাওঁফালৰ পৰা ) সৰ্বশ্ৰী অজয় দাস ( ছাত্ৰ একতা সভাৰ কাৰ্যালয় সহায়ক ), সুশীল পাটোৱাৰী ( সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ ), ভূদেৱ অধিকাৰী ( সম্পাদক, খেল বিভাগ ), জগৎ চন্দ্ৰ দাস ( সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা ), নিৰ্মল ৰাভা ( সম্পাদক, ছাত্ৰ জিৰণি কোঠা ), ক্ষীৰোদ কুমাৰ চৌধুৰী ( সম্পাদক, 'জৱাহৰ জ্যোতি' ), নিৰঞ্জন ৰাভা ( সম্পাদক, সমাজ সেৱা ), ৰীণা নাথ ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা )।

বহি : ( বাওঁফালৰ পৰা ) অধ্যাপক মদন কাকতি ( তত্বাৱধায়ক, সমাজ সেৱা বিভাগ ), অধ্যাপক দ্বিজেন্দ্ৰ নাথ দাস ( তত্বাৱধায়ক, খেল বিভাগ ), অধ্যাপক শৰৎ চন্দ্ৰ তালুকদাৰ ( উপ সভাপতি ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক বসন্ত কুমাৰ দত্ত ( তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ ), অধ্যাপক দিলীপ কুমাৰ দাস ( তত্বাৱধায়ক, 'জৱাহৰ জ্যোতি' ), অধ্যাপক নবীন চন্দ্ৰ মুদিয়াৰ ( তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা ), অধ্যাপক মেৰাজ খান ( তত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ ), অধ্যাপিকা নন্দা দেৱী ( তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা )। ছবিত অনুপস্থিত : জীৱেশ্বৰ পাঠক ( সম্পাদক, সাংস্কৃতিক বিভাগ )।



১৯৯২–৯৩ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ মুখ্য অতিথি কবি হীৰেন ভট্টাচাৰ্য আৰু নিৰ্দিষ্ট বক্তাদ্বয় শ্ৰীবিনন্দ কুমাৰ শইকীয়া আৰু শ্ৰীঅৰুন বৰাৰ সৈতে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ সদস্য-সদস্যা বৃন্দ ।

# অসমীয়া সাহিত্যৰ প্ৰাচীনতম্ নিদৰ্শন ঃ চৰ্য্যাপদ

—ধৰ্মকান্ত বৰুৱা
প্ৰবক্তা, অসমীয়া বিভাগ

চৰ্য্যাপদ সমূহক অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰাচীনতম্ নিদৰ্শন বুলি ঠাৱৰ কৰিব পাৰি। খৃষ্টীয় অষ্টম শতিকাৰ পৰা দশম শতিকাৰ ভিতৰত ৰচিত এই চৰ্য্যাপদসমূহে প্ৰাক্‌-বৈষ্ণৱ যুগৰ কবি সকলৰ আগৰ কালছোৱাৰ অসমীয়া সাহিত্যৰ চানেকি হিচাপে অসমীয়া সাহিত্যৰ বুৰঞ্জীত বুটা বাছি সাহিত্যৰ ক্ৰম-বিকাশত যথেষ্ট বৰঙণি আগবঢ়াইছে। সেয়েহে কাব্যগত ৰসৰ ফালৰ পৰা অসমীয়া সাহিত্যলৈ চৰ্য্যাপদসমূহে কিমান খিনি অৱদান আগবঢ়াইছে সেইয়াহে বৰ্ত্তমান বিচাৰ্য্য।

ইংৰাজী ১৯০৪ চনত মহামহোপাধ্যায় হৰ প্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰৰ গ্ৰন্থালয়ৰ পৰা এই চৰ্য্যাপদ বা বৌদ্ধগান সমূহ উদ্ধাৰ কৰি আনি 'হাজাৰ বছৰেৰ পুৰাণ বাংলা ভাষাৰ বৌদ্ধ-গান ও দোহা'—এই নামেৰে প্ৰকাশ কৰে। উদ্ধাৰ কৰা পুথিখনত সৰ্বমুঠ ৪৬ টা সম্পূৰ্ণ আৰু এটা খণ্ডিত গান বা দোহা আছে। ইয়াত চৌবিশ-জন সিদ্ধাচাৰ্য্যৰ ৰচিত গীত সন্নিবিষ্ট কৰা হৈছে। এই সিদ্ধপুৰুষ আৰু গায়কসকলৰ সৰহ ভাগেই পুৰণি কামৰূপৰ লোক আছিল। সেইসকলৰ ভিতৰত সৰহপা, লুইপা, মীননাথ, ভুসুকপা, নাগাৰ্জুন আদি কামৰূপৰ লোক আছিল বুলি জনা যায়। এওঁ-লোকৰ কামৰূপৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকাৰ পৰা ঠাৱৰ কৰিব পাৰি যে বৌদ্ধগান বা দোহা সমূহে অসমীয়া ভাষা আৰু সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন দাঙি ধৰাত আচৰিত হ'বলৈ একো নাই।

অসমীয়া পুৰণি বৈষ্ণৱ সাহিত্যসমূহ ধৰ্ম্মৰ ওপৰত প্ৰতিষ্ঠিত। সেই কাৰণে সেই যুগৰ সাহিত্যসমূহ উপদেশপূৰ্ণ আৰু উদ্দেশ্যধৰ্মী আছিল। ধৰ্ম্মৰ ওপৰত প্ৰতিষ্ঠিত যদিও সেই যুগৰ সাহিত্য সমূহ কাব্যিক সৌন্দৰ্যৰ পৰা বঞ্চিত নহয়। সেই দৰে চৰ্য্যাপদবোৰো ধৰ্ম্মৰ ওপৰত প্ৰতিষ্ঠিত, উদ্দেশ্যধৰ্মী, হিতবাদী সৃষ্টি। এইবোৰ সহজযান পন্থী লোকসকলৰ পথ প্ৰদৰ্শক মূলমন্ত্ৰ হোৱাৰ উপৰিও ভাষাতত্ত্ব আৰু সাহিত্যৰ ফালৰ পৰাও এইবোৰৰ মূল্য অধিক। চৰ্য্যাপদত দৰ্শনতত্ত্বৰ বাহিৰেও ভাৱৰ প্ৰসাৰতা, কল্পনাৰ সূক্ষ্মতা, প্ৰকৃতি আৰু নাৰীৰ প্ৰতি থকা সৌন্দৰ্যবোধ, কাব্যিক গঠন প্ৰণালী, ছন্দ বৈচিত্ৰ্য আৰু কাব্যিক ৰস বোধ আদি সকলো লক্ষণেই সুন্দৰভাৱে প্ৰকাশ পাইছে। কাব্যিক মূল্যৰ ওপৰত ভিত্তি কৰি ডঃ মহেশ্বৰ নেওগদেৱে চৰ্য্যাপদৰ আলোচনা প্ৰসংগত এনেদৰে কৈছে—"The contents of these poems are of highly mystic nature centering round esoteric

doctrines of sahaja yana and erotistic practices of the sahajiyas. In form the Caryas may be termed lyric and stand comparison with the songs of Mankara, Durgavara, Sankaradeva and other poets of the following ages."

ভাৱৰ ফালৰ পৰা চৰ্য্যাগীতবোৰ অতি গভীৰ আৰু গুৰুত্বপূৰ্ণ। সাধাৰণতে ইয়াক তিনিটা ভাগত ভাগ কৰিব পাৰি। যেনে—(ক) দৰ্শন তত্ত্বমূলক, (খ) যোগ-সাধন সম্পৰ্কীয় আৰু (গ) তান্ত্ৰিক মতবাদমূলক। এই তিনিওবিধ চৰ্য্যাৰ মাধ্যমেদি বৌদ্ধ সিদ্ধাচাৰ্য্যসকলে সহজবাদৰ মূলতত্ত্ব সমাজত প্ৰচাৰ কৰিছিল। বৌদ্ধ ধৰ্মৰ মূল মন্ত্ৰ হ'ল—'সৰ্বং অনিত্যম্, সৰ্বং অনাত্মম্, নিৰ্বাণং শান্তম্।" আৰু ইয়াতেই শূন্যবাদৰ উৎপত্তি। বাসনাৰ নিবৃত্তি বা অহং ভাৱৰ বিলোপ সাধনেই নিৰ্বাণ। বাসনা, কামনাময় চিত্ত যেতিয়া অচিত্ততাত বিলীন হয় তেতিয়াই মুক্তিপ্ৰাপ্ত হয়; কিন্তু পিচলৈ নিৰ্বাণৰ স্বৰূপতে ভিন ভিন মতবাদৰ সৃষ্টি হয়। কোনো কোনোৰ মতে নিৰ্বাণ দুখময়, কোনো কোনোৰ মতে ই আনন্দময় আৰু কিছুমানৰ মতে ই বাস্তৱ আৰু ভাৱস্বভাৱ। সকলোবোৰ সিদ্ধাচাৰ্য্যৰ ভিতৰত নাগাৰ্জুনৰ বৃত্তিকে নিৰ্বাণ সম্পৰ্কীয় শুদ্ধ আৰু সবল ব্যাখ্যা বুলি ধৰা হয়। নিৰ্বাণৰ প্ৰধান বিশেষত্ব হ'ল ই নিত্য কৰুণাময় আৰু আনন্দময়। সাধাৰণতে অহংকাৰৰ পৰাই দ্বৈত জ্ঞানৰ উৎপত্তি। গতিকে অহংকাৰ বিলোপ সাধনেই নিৰ্বাণৰ চৰম লক্ষ্য। সৰ্বসত্তা বিলীন হোৱা বাবেই ই কৰুণাময়, সুখময়। সুখবাদেই সহজীয়া পন্থৰ চৰম লক্ষ্য। সেয়ে চৰ্য্যাত কৈছে—"সুন নৈৰামণি কণ্ঠে লইয়া মহাসুখে ৰাতি পোহাই।"—এনেদৰে দাৰ্শনিক তত্ত্বসমূহ চৰ্য্যাবোৰত আলোচনা কৰা হৈছে। এনেকুৱা দৰ্শনতত্ত্বমূলক আলোচনাৰ উপৰিও অনেক চৰ্য্যাত যোগ সাধন আৰু তান্ত্ৰিক মতবাদৰ আলোচনা পোৱা যায়। সিদ্ধাচাৰ্য্য কৃষ্ণচাৰ্য্য আৰু ভূসুকপাদৰ চৰ্য্যাত নৈতিক আৰু আধ্যাত্মিক উপদেশৰ উপৰিও তন্ত্ৰ সম্পৰ্কীয় কথা কেনেদৰে প্ৰকাশ পাইছে তলৰ চৰ্য্যাফাকিলৈ মন কৰিলেই ধৰিব পাৰি।

অধৰাতি ভৰ কমল বিকসিউ
বৰিস জোইনী তসু কমল বিকসিউ।

অৰ্থাৎ মহাসুখ কমল যেতিয়া শূন্যতাৰ প্ৰভাৱত বিকশিত হৈ উঠে তেতিয়া দেহত থকা অন্যান্য নাড়ীসমূহেও আনন্দধাৰা বৰষণ কৰে। আনহাতে চৰ্য্যাবোৰত গুৰুৰ ওপৰত বিশেষ নিৰ্ভৰ কৰাৰ কথাও পোৱা যায়। সেয়েহে সংসাৰৰ অসাৰ তত্ত্বক প্ৰতীয়মান কৰি গুৰুৰ ওচৰ চাপি নিৰ্বাণ লাভ কৰিবলৈ এনেদৰে নিৰ্দ্দেশ দিছে—

কাআ তৰুবৰ পঞ্চ বিডাল
চঞ্চল চিএ পইঠো কাল।
দিঢ় কৰিঅ মহাসুহ পৰিমাণ
লুই ভণই গুৰু পুচ্ছিঅ জান।

অৰ্থাৎ কায়াৰূপ দেহৰ পাঁচ ডালি ঠাল, চঞ্চল চিত্তত কালে প্ৰবেশ কৰিলে। মহাসুখৰ পৰিমাণক দৃঢ় ভাৱে ধৰা, গুৰুক সুধি এইবোৰ জানি লোৱা—লুইয়ে ইয়াকে কয়। ওপৰৰ চৰ্য্যাত মূল বিষয় বস্তু সহজবাদ যোগ সাধনৰ প্ৰতি থকা আগ্ৰহ

আৰু গুৰুৰ ওপৰত থকা নিষ্ঠা সম্পৰ্কে আলোচনা কৰা হৈছে। মুঠতে চৰ্য্যাবোৰত অন্তৰ্নিহিত ভাৱধাৰা এই সহজবাদ পাতালী গংগাৰ দৰে প্ৰৱাহমান। আনহাতে এই চৰ্য্যাবোৰত পৰমতত্ত্ব উপলব্ধি কৰিবলৈ গ'লে চৰ্য্যাৰ বাহ্যিক আৱৰণত পৰিব্যাপ্ত হৈ থকা সাহিত্যিক সোৱাদসমূহ অনুভৱ কৰা নাযায়; কিয়নো চৰ্য্যাৰ ভাষা 'সান্ধ্য ভাষা'। সন্ধ্যাৰ আধা আলো আধা ছাঁয়াৰ ৰহস্যময়তাই প্ৰত্যেকটো চৰ্য্যাকে আৱৰি আছে। অৱশ্যে সিদ্ধাচাৰ্য্যসকলে এইবোৰ প্ৰকাশ কৰিবলৈ যাওঁতে সহজ পন্থাকে মাধ্যম স্বৰূপে গ্ৰহণ কৰিছে। যেনে ঘৰুৱা প্ৰেম-প্ৰীতি, ৰং-ৰহইচ, সুখ-দুখ, হাঁহোন-কান্দোন আদি সংসাৰত ঘটি থকা কাহিনীবোৰৰ মাজেদিয়ে অজ্ঞ জনগণক ধৰ্মৰ পৰমতত্ত্ববোৰ বুজাবলৈ চেষ্টা কৰিছে। তাৰ ফলত চৰ্য্যাসমূহ একো একোটি প্ৰস্ফুটিত পদুমৰ দৰে স্নিগ্ধ কাব্যিক ৰসস্বাদী গাথাত পৰিণত হৈছে। ক'ৰবাত অসংগতিপূৰ্ণ ভাৱ, চিত্ৰ আছে যদিও তাৰ মাজেদিও অন্তৰৰ প্ৰেৰণা অনুভূতি, প্ৰাচুৰ্য্য আৰু প্ৰাবল্য, ৰসঘনতা, কাব্যিক কল্পনা আদিৰ সোৱাদ প্ৰকাশ নোপোৱাকৈ থকা নাই, যেনে --

জোইনি তই বিনু খনহি ন জিৱমি
তো মুহ চুম্বি কমল ৰস পিৱমি।

অৰ্থাৎ---হে যোগিনী, প্ৰৱল বাসনাৰ আবেগ হেতু তোমাক ত্যাগ কৰি মই এক মুহূৰ্ত্ত জীয়াই থাকিব নোৱাৰো, তোমাৰ মুখত চুমা বোলাই মই কমল ৰস পান কৰিম। বাহ্যিক দৃষ্টিকোণৰ ফালৰ পৰা চৰ্য্যাফাকিৰ অৰ্থ তেনেদৰে পোৱা যায়; কিন্তু কাব্যিক দৃষ্টিকোণৰ ফালৰপৰা চৰ্য্যাফাকিত কবিৰ যোগিনীৰ অৰ্থাৎ অস্পৃশ্যা নাৰীৰ প্ৰতি থকা ভালপোৱাৰ উমানহে প্ৰতীকৰ সহায়ত প্ৰকাশ পাইছে। ইয়াত প্ৰতীকসমূহ কবি কল্পনাৰ সুন্দৰ নিদৰ্শন। তেনেদৰে সিদ্ধাচাৰ্য্য কৃষ্ণপাদৰ চৰ্য্যাতো কল্পনাৰ মাধুৰিমা, ৰসঘন ভাৱধাৰা কিদৰে প্ৰকাশ পাইছে তাৰো আভাস তলৰ চৰ্য্যফাকিলৈ মন কৰিলে বুজিব পাৰি। --

জঅ জঅ দুন্দুহি সাদ উচ্ছলিআ
কাহ্নু ডোম্বী বিবাহে চলিআ
ডোম্বী বিবাহিআ আহৰিউ জাম
জউতুকে কিঅ আহতু ধাম।

এই চৰ্য্যাফাকিৰ স্বাভাৱিক বৰ্ণনাত এজন দৰাযাত্ৰীৰ মানসিক বৰ্ণনাৰ কথা প্ৰকাশ পাইছে -- বৰযাত্ৰী কানু নামৰ দৰাজনে ঢাক-ঢোল বজাই ডোম্বীক বিবাহ কৰিবলৈ যাত্ৰা কৰিছে; কানুৱে (অস্পৃশ্যা) ডোম্বীক বিবাহ কৰিলেও যৌতুক-ৰূপে মহাসুখ পাব; কিন্তু ইয়াত ৰূপকৰ জৰিয়তে সহজাৱস্থা নিৰ্বাণ প্ৰাপ্তিৰ তত্ত্বহে ক'ব খুজিছে। তদুপৰি লৌকিক বৰ্ণনাই চৰ্য্যাটোৰ কাব্যিক সৌন্দৰ্য্যও প্ৰকাশ নকৰাকৈ থকা নাই। মুঠতে চৰ্য্যাবোৰত সিদ্ধাচাৰ্য্যসকলে নীৰস আধ্যাত্মিক কথাক ৰূপক আৰু চিত্ৰৰ সহায়ত সজীৱ আৰু আবেদনশীল কৰি গঢ়ি তোলাৰ লগে লগে ধৰ্মতত্ত্বও ব্যাখ্যা কৰিছে।

চৰ্য্যাপদ ৰচকসকল হ'ল সুক্ষ্মদৰ্শী মহাপণ্ডিত। কম কথাৰে বহু অৰ্থ প্ৰকাশ কৰিব পৰা ক্ষমতা, ঘৰুৱা জীৱনৰ সাধাৰণ বস্তুবোৰকে উপমা হিচাপে ব্যৱহাৰ কৰা, চিত্ৰধৰ্মিতা আদি গুণবোৰ তেওঁলোকৰ ৰচনাৰ মাজেদি সুন্দৰভাৱে প্ৰকাশ পাইছে।

যেনে—**'হাথেৰ কঙ্কণ মা লেহু দাপণ'** হাতত কঙ্কণ থাকোঁতে দাপোণৰ কোনো প্ৰয়োজন নাই। সেইদৰে ভুসুকুপাদে—**'অপহন মানসে হৰিণ বৈৰী'** গীতি কবিতা ফাকিৰে অসমীয়া সমাজত চলি থকা 'হৰিণৰ মাংসই নিজৰ বৈৰী' লৌকিক প্ৰৱচন ফাকিলৈ মনত পেলাই দিয়ে। তেনে ধৰণৰ আন এফাকি প্ৰৱচন যেনে—**'বৰ শূন গোহালি কিমো দুধ বলধে',** (দুষ্ট বলধতকৈ শূন্য গোহালিয়েই ভাল) মুঠতে জনসমাজত প্ৰচলিত প্ৰৱাদ বাক্যক অৱলম্বন কৰি সিদ্ধাচাৰ্য্য-সকলে তেওঁলোকৰ সাধন পদ্ধতিক পৰিস্ফুট-কৰিবলৈ প্ৰয়াস কৰিছিল।

চৰ্য্যাবোৰত ভাষাতকৈ ভাৱৰ পৰিস্ফুৰণ বেছি হোৱাৰ বাবে ইয়াক 'সান্ধ্য ভাষা' বুলি কোৱা হয়। এইবোৰত ব্যৱহৃত ছন্দও বিশেষ মন কৰিবলগীয়া। ছন্দৰ ক্ষেত্ৰত চৰ্য্যাবোৰত অক্ষৰৰ সমতা নাই যদিও তাত পুৰণি পয়াৰ আৰু ত্ৰিপদী ছন্দৰ স্ফুৰণ দেখিবলৈ পোৱা যায়। মাত্ৰাবৃত্ত ছন্দত ৰচিত এই চৰ্য্যাবোৰত অন্ত্যানু-প্ৰাস অলংকাৰৰ ব্যৱহাৰ এটা বিশেষ মন কৰিবলগীয়া কথা। আনহাতে চৰ্য্যাবোৰ বৰ দীঘলীয়া নহয়; দুই এটা দীঘলীয়া শাৰীৰ চৰ্য্যাৰ বাহিৰে বেছি ভাগেই দহ শাৰী বা চৌধ শাৰীৰ ভিতৰতে সীমাবদ্ধ; গতিকে ইয়াক অসমীয়া গীতি-ধৰ্মী 'চনেট' কবিতাৰ সৈতে ৰিজাব পাৰি। চৰ্য্যাবোৰ বিশেষকৈ ৰাগ-ৰাগিনী সহকাৰে গোৱা হয়। ইয়াত উল্লেখ থকা বিভিন্ন ৰাগ-ৰাগিনীৰ নামোল্লেখে চৰ্য্যাবোৰৰ মূল্য যথেষ্ট বঢ়াইছে। ছন্দ আৰু ৰাগ-ৰাগিনীৰ সম্পৰ্কত চৰ্য্যাৰ ৰচক-সকল শঙ্কৰদেৱ আৰু মাধৱদেৱ আদি বৈষ্ণৱ কবিসকলৰ পথ প্ৰদৰ্শক বুলি ভাবিবৰ থল আছে। সেয়েহে গুৰু দুজনাৰ দ্বাৰা ৰচিত 'বৰগীত' সমূহৰ দৰে চৰ্য্যাবোৰো অতি মূল্যবান সম্পদ।

ডঃ বাণী কান্ত কাকতিয়ে চৰ্য্যাপদৰ অসমীয়াৰ লগত ভাষাগত সাদৃশ্য লক্ষ্য কৰি এইবোৰক অসমীয়া, বঙলা, উড়িয়া আৰু মৈথিলী ভাষাই সম্পূৰ্ণ স্বতন্ত্ৰৰূপ পোৱাৰ অব্যৱহৃত পূৰ্বাৱস্থাৰ ভাষাৰ নিদৰ্শন বুলিছে। সেয়েহে পূৱ ভাৰতৰ আটাইবোৰ ভাষাই নিজৰ নিজৰ ভাষাৰ সম্পত্তি বুলি দাবী কৰিবলৈ লৈছে। তথাপি ই যে অসমীয়াৰ বেছি ওচৰ চপা সেই বিষয়ে সন্দেহ নাই। এই মন্তব্যৰ ওপৰত ভিত্তি কৰি চৰ্য্যা-বোৰক অসমীয়া সাহিত্যৰ প্ৰাচীনতম্ নিদৰ্শন বুলি কলেও ভুল কোৱা নহয়। কাৰণ, পৰৱৰ্ত্তী যুগৰ কবি-সাহিত্যিক সকলে এই চৰ্য্যাপদ সমূহক চানেকি হিচাপে আগত ৰাখিয়েই সাহিত্য চৰ্চা কৰাৰ প্ৰমাণ স্বৰূপে আমাৰ 'বৰগীত' আৰু 'দেহ-বিচাৰ' গীতবোৰলৈ আঙুলিয়াব পাৰি। বৰগীতবোৰ যেনেদৰে আধ্যাত্মিক ভাৱাপন্ন, তেনে-দৰে চৰ্য্যাবোৰে আধ্যাত্মিক ভাৱাপন্ন, গঠন প্ৰণালীৰ ফালৰ পৰাও বৰগীত আৰু চৰ্য্যাবোৰ সমধৰ্মী। সেইদৰে আমাৰ 'দেহ বিচাৰ' গীতবোৰৰ লগতো চৰ্য্যাৰ যথেষ্ট মিল আছে। চৰ্য্যাৰ ভাষাৰ দৰে দেহ-বিচাৰৰ ভাষাও 'সান্ধ্য ভাষা' বুলি ক'ব পাৰি। কাৰণ চৰ্য্যাৰ দৰে দেহ-বিচাৰ গীততো ৰূপক আৰু প্ৰতীকৰ সহায়ত দেহতত্ত্ব আৰু পৰমাৰ্থতত্ত্ব ব্যাখ্যা কৰা হয়। দুয়োবিধ গীততে গুৰুৰ ওপৰত নিষ্ঠা প্ৰকাশ কৰা দেখা যায়।

চৰ্য্যাত যোগ-সাধনৰ উল্লেখ থকাৰ দৰে দেহ-বিচাৰ গীততো পোৱা যায়। এই কালৰ পৰা চৰ্য্যাবোৰক অসমীয়া দেহ-বিচাৰ গীতৰ পথ-প্ৰদৰ্শক বুলি অভিহিত কৰিব পাৰি। সম্ভৱতঃ চৰ্য্যাবোৰক অনুসৰণ কৰিয়েই কোনো কোনো অনামী কবিয়ে দেহ-বিচাৰ গীতসমূহ ৰচনা কৰিছিল।

ওপৰৰ আলোচনাসমূহ প্ৰতীয়মান কৰাৰ সুবিধাৰ্থে তলত অসমীয়া ভাষা আৰু চৰ্য্যাপদৰ ভাষাৰ কিছুমান ধ্বনিগত, ৰূপগত আৰু শব্দগত সাদৃশ্য উল্লেখ কৰা হ'ল।

(ক) ধ্বনিগত সাদৃশ্য :—

১। অসমীয়া ভাষাত কোনো শব্দত ওচৰা-ওচৰিকৈ দুটা অক্ষৰত থকা আ-ধ্বনিৰ পূৰ্ববৰ্ত্তী অক্ষৰৰ আ-ধ্বনি 'অ' নাইবা 'এ' ধ্বনি হোৱাৰ নিয়ম চৰ্য্যাপদতো দেখা যায়। যেনে,—

| অসমীয়া | চৰ্য্যা | বঙলা |
|---|---|---|
| চকা | চকা | চাকা |
| পথা | পথা | পাথা |

২। সংস্কৃতৰ উষ্ম বৰ্ণ তিনিটাৰ এটা 'স' ধ্বনিত ৰূপান্তৰিত হোৱা নিয়মৰ নিদৰ্শন অসমীয়াৰ দৰে চৰ্য্যাতো আছে। শবৰ, ষবৰালী, সবৰ [ চৰ্য্যা—৫০ ]।

(খ) ৰূপগত সাদৃশ্য :—

১। অসমীয়াৰ সৈতে চৰ্য্যাৰ শব্দ বিভক্তিৰ মিল

| অসমীয়া | | চৰ্য্যা |
|---|---|---|
| ১মা— | এ | — কুম্ভীৰে খাঅ। |
| ২য়া— | ক | — ঠাকুৰক পৰিনিবিতা। |
| ৪ৰ্থী— | লৈ | — মেৰু শিখৰ লই। |
| ৬ষ্ঠী— | ৰ | — কমেৰ তেন্তুলি, হৰিণীৰ নিলঅ। |
| ৭মী— | ত | — হাড়ীত ভাত নাই। |

২। নাস্ত্যৰ্থক 'ন' অসমীয়াত সদায় ক্ৰিয়াৰ আগত বহাৰ দৰে চৰ্য্যাতো ক্ৰিয়াৰ আগত বহে।

| অসমীয়া | চৰ্য্যা |
|---|---|
| নাযায় | ণজাই |
| নেদেখি | ণদেখি |

৩। অসমীয়া স্ত্ৰী প্ৰত্যয় 'নী' আৰু 'ঈ' চৰ্য্যাৰ সৈতে একে। যেনে—

শুণ্ডিনী, শবৰী, শিআলী ইত্যাদি।

৪। অসমীয়াত ভূত-কালত ক্ৰিয়া-বিভক্তি—'ইলো' ব্যৱহাৰ হোৱাৰ দৰে চৰ্য্যাতো ব্যৱহাৰ হয়। যেনে—

| অসমীয়া | চৰ্য্যা |
|---|---|
| আছিলো | অচ্ছিলো |

৫। অসমীয়াত অসমাপিকা ক্ৰিয়া—'ই'। চৰ্য্যাতো একে। যেনে—

দেখি, গই, উঠি, চুম্বি, ইত্যাদি।

৬। অসমীয়াত পুৰুষ অনুযায়ী ব্যৱহাৰ হোৱা সৰ্বনাম মই, তই মোৰ [ তিৰ্য্যক ৰূপ ) আদি চৰ্য্যাতো ক্ৰমে মই, তঁই, মোৰ ৰূপে ব্যৱহাৰ হয়।

(গ) শব্দগত সাদৃশ্য :—

শব্দমালা বা শব্দগত ক্ষেত্ৰতো চৰ্য্যাত ব্যৱহৃত প্ৰায়বোৰ শব্দই অসমীয়াৰ সৈতে মিল আছে। যেনে— মোলাণ, পানী, আজি, কুঠাৰ, খাল, উজু আগলি ইত্যাদি শব্দবোৰ চৰ্য্যাতো একে ৰূপত ব্যৱহাৰ হয়। আৰু এটা বিশেষ মন কৰিব-লগীয়া কথা হৈছে যে চৰ্য্যাৰ কিছুমান শব্দৰ

অসমীয়া কামৰূপী উপভাষাৰ শব্দৰ হুবহু মিল আছে। যেনে—

| কামৰূপী উপভাষা | চৰ্য্যা |
|---|---|
| পোহিল | পহিল |
| বাপা | বাপা |
| বোপুৰা | বাপুড়া |
| কুৰ্মা | কুড়ম্বা |
| গেল | গেল |
| ভম্ৰা | ভম্ৰা |
| ভতাৰ | ভতৰে |

আলোচনাৰ সামৰণিত ইয়াকে ক'ব পাৰি যে চৰ্য্যাপদ আৰু অসমীয়া ভাষাৰ সাদৃশ্য বা মিলে সম্ভৱতঃ ইয়াকে সূচায় যে চৰ্য্যাপদত সংৰক্ষিত ভাষাৰ ৰূপটোৱে অথবা তাৰ কিছু পৰিবৰ্ত্তিত ৰূপে এসময়ত গোটেই পূব-ভাৰতৰে সাহিত্যিক ভাষা ৰূপে পৰিগণিত হৈছিল। তাৰ প্ৰমাণ স্বৰূপে পূব-ভাৰতৰ বৈষ্ণৱ কবিসকলৰ ভিন্ ভিন্ ৰচনা ৰাজিলৈ আঙুলিয়াব পাৰি। সাধাৰণতে চৰ্য্যাবোৰ ৰচনা কৰা হৈছিল সংস্কৃত আৰু অৱহট্‌ঠ ভাষাত। আমাৰ বৈষ্ণৱ যুগৰ কবিসকলে (বিশেষকৈ অসম, বঙ্গ, আৰু উৰিষ্যা প্ৰদেশৰ) তেওঁলোকৰ ৰচনা ৰাজিত ব্যৱহাৰ কৰা 'ব্ৰজবুলি' ভাষাৰ ভিত্তি হিচাপে অৱহট্‌ঠ ভাষাত ৰচিত কাব্যৰ পৰম্পৰা থকা বুলি ক'ব পাৰি। সম্ভৱতঃ এটা সময়ত সংস্কৃত ভাষাক এফলীয়াকৈ থৈ অৱহট্‌ঠই একমাত্ৰ সাহিত্যিক ভাষাৰূপে পৰিগণিত হোৱাৰ বহুতো প্ৰমাণ পোৱা যায়। মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱে অংকীয়া নাট আৰু বৰগীতত ব্যৱহাৰ কৰা ব্ৰজবুলি ভাষাৰ চৰ্য্যাপদৰ ভাষাৰ লগত বহুখিনি মিল দেখা যায়। মুঠতে চৰ্য্যাপদসমূহ অসমীয়া ভাষা সাহিত্যৰ আপুৰুগীয়া সম্পদ। ইয়াক অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ প্ৰভাতী গান বুলি স্বীকাৰ কৰিব পাৰি। * ☆

---

* প্ৰবন্ধটো যুগুত কৰোঁতে সহায় লোৱা হৈছে—ড° কাকতি, ডিম্বেশ্বৰ নেওগ, ড° মহেশ্বৰ নেওগ, আৰু ড° উপেন্দ্ৰ নাথ গোস্বামীদেৱে চৰ্য্যাপদ আৰু অসমীয়া ভাষা সম্পৰ্কে কৰা আলোচনাৰ ওপৰত। মনীন্দ্ৰ বসু সম্পাদিত—চৰ্য্যাপদ।

# গল্পগুচ্ছ

## ঃ সূৰ্যোদয় ঃ

—হেমন্ত মহন্ত
১ম বাৰ্ষিক, স্নাতক মহলা (কলা)

কোনো কাহানিও নুশুনা কথা এবাৰ আজি হঠাতে অভাৱনীয়ভাৱে মাৰ মুখত শুনি মই স্তম্ভিত হৈ পৰিলোঁ। জাকিৰৰ ভনীয়েক পাঁচ বছৰীয়া আমিনাৰ জন্মদিন উপলক্ষে জাকিৰে মোক এসপ্তাহ আগতে কৰি যোৱা নিমন্ত্ৰণ সন্দৰ্ভত কোৱা মাৰ কথাখিনিৰ প্ৰতিটো শব্দই মোক বিছাই-বৰলে ডকা যেন লাগিছিল। মাই কৈছিল—"নাই, নাই জীতেন, তই কেতিয়াও যাব নোৱাৰ সেই মুছলমান গাঁৱলৈ। দেখা নাই দেশত কিহৰ জুই জ্বলিছে। আজি বোলে হিন্দুৱে মুছলমানক মাৰিছে, কালি বোলে মুছলমানে হিন্দু মাৰিছে। তেনেস্থলত তই কি সাহসত সেই মুছলমান গাঁৱলৈ যাবি কচোন।'

আমিনাক দিবলৈ যোৱা কালিয়ে শনিবৰীয়া হাতৰ পৰা কিনি অনা প্ৰাকৃতিক দৃশ্যৰ ফটো খন অজানিতে মোৰ হাতৰ পৰা স্খলকি পৰিল। হতবাক হৈ মাৰ ফালে চাওঁতে মাই পুনৰ কৈ উঠিল---'মই যি কৈছো শুন জীতেন। সোণেশ্বৰ মেম্বৰেও দেউতাৰক কৈছে যে সিহঁতে বোলে আমাৰ বিৰুদ্ধে.........'

মাক কথাখিনি শেষ কৰিব নিদি মই চিঞৰি উঠিলোঁ---"মা, সেইটো হ'বই নোৱাৰে। তুমি শুনা সকলো কথাই মিছা। মই যামেই। মোক বাধা নিদিবা।"

মাটিত পৰা ফটো খন তুলি লৈ মই কিবা এক উত্তেজনাত মাৰ ওচৰৰ পৰা উচাট মাৰি আঁতৰি আহি তুলুপাৰ গাঁৱৰ মাজেৰে জাকিৰহঁতৰ ঘৰ অভিমুখে খোজ পেলালোঁ।

খোজকাঢ়ি যাওঁতে জাকিৰৰ লগত মোৰ আশৈশৱ সম্বন্ধৰ বহু কথাই মনলৈ আহিবলৈ ধৰিলে। .........জাকিৰৰ ঘৰ আমাৰ ঘৰৰ পৰা পাঁচ মাইল আঁতৰত। কিন্তু তাৰ মোমায়েকৰ ঘৰ আমাৰ গাঁৱত। সি মোমায়েকৰ ঘৰতে থাকি প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল বাবে আমি সৰুৰ পৰা একেলগে খেলা-ধূলা খেলি ডাঙৰ-দীঘল হৈছিলোঁ। তাৰ পিচত সি হাইস্কুলীয়া শিক্ষা আৰু বৰ্তমান কলেজীয়া শিক্ষা নিজৰ ঘৰত থাকি গ্ৰহণ কৰিলেও আমাৰ পুৰণি বন্ধুত্বৰ এনাজৰীডাল এতিয়াও সমানে অটুট হৈ আছে। আজিলৈ আমাৰ ঘৰত এনে এটি উৎসৱ বা সকাম হোৱা নাই য'ত জাকিৰ অনুপস্থিত আছে। ঠিক তেনেদৰে তাৰ ঘৰতো এনে এটি উৎসৱ বা পৰ্ব অনুষ্ঠিত হোৱা নাই য'ত মই নোযোৱাকৈ আছোঁ। হাইস্কুলত পঢ়া দিনত সৌ

সিদিনালৈ কিমান দিন মই তাৰ ঘৰত ৰাতি কটাইছোঁ অথবা কিমান দিন সি আমাৰ ঘৰত ৰাতি কটাইছে তাৰ হিচাপ নাই। সম্পূৰ্ণ স্বাভাবিকভাবে গঢ়ি উঠা আমাৰ বন্ধুত্বক লৈ সিহঁতৰ ঘৰৰ বা আমাৰ ঘৰৰ কোনোৱে কেতিয়াও মূৰ ঘমোৱা নাই। অথচ আজি মাৰ মুখৰ পৰা ওলোৱা প্ৰতিটো শব্দই মোৰ মনৰ গভীৰলৈ জোকাৰি গ'ল। যাৰ চিৰ চেনেহী চিনাকী ছবিখনো মোৰ কিবা অচিনাকী অচিনাকী যেন লাগিল।

তুলুপাৰা গাঁও পাৰ হৈয়ে জাকিৰহঁতৰ গাঁও। তুলুপাৰা গাঁৱৰ শেষ সীমা পোৱাৰ কিছু আগতে বিপৰীত ফালৰ পৰা দুজনমান মুছলমান মানুহ আহি থকা দেখি মোৰ দ্ৰুত খোজ কিয় জানো কেই চেকেণ্ড মানৰ বাবে হঠাতে থমকি ৰ'ল। নিজৰ ভিতৰৰ প্ৰতিক্ৰিয়াত নিজে লজ্জিত হৈ মই পুনৰ একে দ্ৰুততাৰে আগবাঢ়ি তেওঁলোকৰ কাষেৰে পাৰ হৈ যাওঁতে 'খুড়া' সম্বোধন কৰি মতা আফজল আলি নামৰ মানুহজনে মোৰ ফালে চাই মৰমেৰে মাত লগালে: 'জাকিৰহঁতৰ ফালৈ যাবি হবলা। যা ···· আমিও তাৰ পৰাই আহিলোঁ।'

আফজল খুড়াৰ কথা খিনিয়ে মোৰ মনত কিছু সাহস দিলে যদিও জাকিৰহঁতৰ ঘৰ পোৱাৰ ঠিক আগে আগে মোৰ বুকুখন কিবা এক অজান ভয়ত পুনৰ কঁপি উঠিল। অহাৰ আগতে মায়ে কোৱা কথা খিনিলৈ চেৰেঙকৈ মনত পৰিল। নঙলাৰ বাঁহ এডাল গুচাব খুজি মোৰ হাতখন কোঁচ খাই আহিব খুজিলে। ঠিক সেই সময়ত জাকিৰৰ দহ বছৰীয়া ভনীয়েক ৰহিমাই মোৰ ওচৰলৈ দৌৰি আহিল। মোৰ কাষ পাইয়ে মোৰ হাত এখনত ধৰি তাই ক'বলৈ ধৰিলে— 'জীতেনদা, তুমি ইমান দেৰি কৰিলা! আমাৰ ঘৰত তোমাৰ কথাই পাতি আছে। আববাজানে কৈছে—তুমিহেনো আমাৰ ঘৰলৈ আৰু কেতিয়াও নাহা। দেশত হেনো কিবা হিন্দু-মুছলমানৰ কাজিয়া হৈছে। হিন্দুবোৰ হেনো মুছলমানৰ শত্ৰু হৈছে আৰু মুছলমানবোৰ হেনো হিন্দুবোৰৰ শত্ৰু হৈছে ·· ···

ৰহিমাই আৰু কি কৈছিল শুনাৰ মোৰ ধৈৰ্য নাছিল। যিখিনি শুনিলো সেইখিনি শুনাৰ পিচত মই স্বৰগ পৰা মানুহৰ দৰে নিথৰ হৈ গলোঁ। জাকিৰৰ দেউতাকলৈ মোৰ মনে মনে বৰ খং উঠি গ'ল। কিয় বাৰু তেওঁ এই সৰু সৰু ল'ৰা-ছোৱালীবোৰৰ কোমল মনতো পৰোক্ষভাৱে হলেও সাম্প্ৰদায়িকতাৰ বীজ সুমুৱাই দিছে? তেওঁৱেতো সৌ সিদিনা মোক কৈছিল—"বোপা জীতেন, জাকিৰ আৰু তোৰ মিল দেখিলে মোৰ এনে যেন লাগে তহঁত যেন এক মাতৃৰ দুই সন্তান। চোৱা জীতেন, আজি আমাৰ দেশত যি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হৈছে আৰু তাৰ ফল স্বৰূপে যি বিভেদৰ সৃষ্টি হৈছে, মোৰ বিশ্বাস, তহঁতৰ দৰে ডেকাবোৰে সেইবোৰ নাশ কৰি এখন নিকা সমাজ গঢ়িবলৈ সক্ষম হবি।" আৰু তেওঁ কৈছিল—"এইখন ৰাম-ৰহিমৰ দেশ, এইখন শঙ্কৰ-মাধৱ, আজান ফকিৰৰ দেশ। যিখন দেশত কেবাশ বছৰ আগতে শঙ্কৰ-মাধৱৰ দৰে মহাপুৰুষে জাতিভেদ নাইকিয়া কৰি সম্প্ৰীতিৰ এডাল এনাজৰীৰে আমাক বান্ধি গৈছিল সেইখন

দেশৰ সন্তান তহঁত! তহঁতে ধাইজক বুজাব লাগিব ঈশ্বৰ আল্লা এজনেই। আমি এক আল্লা এক ঈশ্বৰৰ সন্তান।" যিজন সহজ-সৰল আপোন ভোলা ব্যক্তিয়ে এনে মন্তব্য কৰি মোক উপদেশ দিছিল সেইজন মানুহৰ মনত কোনে বাৰু এই সাম্প্ৰদায়িকতাৰ বীজ ৰোপণ কৰিলে? কোনে তেওঁৰ নিচিনা হোজা মনৰ লোককো পতিয়ন নিয়ালে যে হিন্দুবোৰ তেওঁলোকৰ শত্ৰু? মোৰ মনলৈ নানা প্ৰশ্ন আহিব ধৰিলে।

হঠাৎ ৰহিমাৰ মাতত মোৰ চিন্তাৰ আঁত হেৰাল। তাই মোক হাতত ধৰি চোতাললৈ লৈ আহিল।

ৰহিমাই অকপটভাৱে কোৱা কথাখিনি আৰু মাই আহিবৰ সময়ত কৰা সাৱধান বাণীয়ে মোক যিমান আচৰিত কৰা নাছিল সিমান আচৰিত কৰিলে জাকিৰৰ অকল্পনীয় পৰিৱৰ্তনে। এসপ্তাহ আগৰ জাকিৰ আৰু আজিৰ জাকিৰৰ মাজত মই যেন এক বিৰাট পাৰ্থক্য দেখা পালোঁ। সি অস্বাভাৱিক মাতেৰে মোক ক'লে--'তই আজি নাহিবি বুলিয়ে ভাৱিছিলো জীতেন। নছিমে কোৱা মতেতো তই আমাৰ ঘৰলৈ কেতিয়াও নহাৰ সম্ভাৱনাই আছিল। পিচে কিয় আহিলি তই?'

জাকিৰৰ কথাৰ কি প্ৰত্যুত্তৰ দিম মই পোনতে ভাবি নাপালেঁা। যাৰ ঘৰত কোনো সকাম-নিকাম নহ'লেও দুই-তিনিদিন এনেয়ে থাকোঁ সেইখন ঘৰত আজি জাকিৰৰ কনিষ্ঠা ভনী আমিনাৰ জন্মদিনৰ উৎসৱ। আৰু নিমন্ত্ৰণ কৰিও জাকিৰে যেন সেই উৎসৱলৈ মই অহাটো বিচৰা নাই। মই একো বুজিব নোৱাৰি জাকিৰক ক'লোঁ--"তই এইবোৰ কি কৈছ জাকিৰ? মই অহা-নহাৰ লগত নছিমৰ কি সম্বন্ধ থাকিব পাৰে?"

মোৰ কথাৰ প্ৰত্যুত্তৰত সি যি ক'লে শুনি মই হতভম্ব হৈ গ'লোঁ। সি ক'লে—'শুন জীতেন, সেইদিনা তোক নিমন্ত্ৰণ কৰি মই তহঁতৰ ঘৰৰ পৰা আহি পাইছোহি মাথোন। এনেতে দেখো আমাৰ ঘৰত নছিমে দেউতাৰ লগত গোপনে কিবা কথা আলোচনা কৰি আছে। মোক অহা দেখা পায়ে নছিমে মই ক'লৈ গৈছিলোঁ সুধিলে। মই তহঁতৰ গাঁৱলৈ তহঁতৰ ঘৰলৈ যোৱা বুলি কোৱাত সি জাপ মাৰি উঠিল আৰু মোৰ ওপৰত খং কৰি সাৱধান কৰি দিলে মই যেন তহঁতৰ গাঁৱলৈ বা তহঁতৰ ঘৰলৈ কেতিয়াও নাযাওঁ। সি মোক লগতে ক'লে তহঁতৰ গাঁৱত হেনো কিবা মিটিং কৰিছে যাতে তহঁতৰ গাঁৱৰ কোনো মানুহ আমাৰ গাঁৱলৈ নাহে। সি আৰু ক'লে যে আমাৰ মানুহ তহঁতৰ গাঁৱলৈ গ'লে তহঁতে হেনো শেষ কৰি দিব পাৰ।"

জাকিৰৰ কথা সিমানতে শেষ হোৱা নাছিল। অলপ ৰৈ সি পুনৰ আৰম্ভ কৰিলে—'আৰু এটা কথা জীতেন। তহঁতৰ দেউতাক সভাপতি হিচাপে লৈ তহঁতৰ গাঁৱত বোলে কিবা হিন্দু কমিটি গঠন কৰিছে! আৰু সেই কমিটিয়ে নেতৃত্ব লৈ আমাৰ গাঁও আক্ৰমণ কৰিবলৈ বোলে কিবা ষড়যন্ত্ৰ কৰি আছে! সঁচা নহয়নে এইবোৰ কথা? নেমাত কিয়?"

জাকিৰৰ কথাখিনি শুনাৰ পিচত মই বজ্ৰপৰা মানুহৰ দৰে অলাৰ আচৰ হৈ তাৰ ফালে চাই

।

থাকিলোঁ। বাৰ বাৰ এটা কথাই মনলৈ আহিব ধৰিলে -- নছিমে কিয় বাৰু এনে ভুৱা কথাবোৰ কৈ সহজ সৰল মানুহবোৰৰ মনত সাম্প্ৰদায়িকতাৰ বীজ সিঁচি দিছে? জাকিৰৰ অভিযোগ সমূহ একোটা বিৰাট প্ৰশ্নবোধক চিনেৰে উপর্য্যুপৰি মনলৈ আহিব ধৰিলে— কোনে হিন্দু কমিটি গঠন কৰিছে? কোনে জাকিৰৰ গাঁৱৰ মুছলমান মানুহখিনিক আক্ৰমণ কৰিবলৈ ষড়যন্ত্ৰ কৰিছে? কোনে আমাৰ দেউতাক সভাপতি পাতিছে?

নছিমৰ অবয়বটো এইবাৰ কুৎসিৎ ৰূপ লৈ মোৰ মনৰ চকুৰ আগত দেখা দিবলৈ ধৰিলে। কেইদিনমান আগতে সাধুতাৰ মুখা পিন্ধি এই নছিম আমাৰ ঘৰত উপস্থিত হৈছিল। উদ্দেশ্য আছিল সিহঁতৰ সমষ্টিৰ পৰা দেউতাক বিধায়কৰ পদত থিয় কৰোৱা। সি কৈছিল দেউতা উঠিলে হেনো সিহঁতৰ সমষ্টিৰ এটা ভোটো দেউতাৰ বাহিৰে আনে পাব নোৱাৰে; কাৰণ দেউতাৰ ওপৰত হিন্দুসকলৰ যিমান আস্থা আছে মুছলমানসকলৰ আস্থা তাতকৈ কোনো গুণে কম নহয়।

'কি হ'ল জীতেন? তোৰ দেখো মাত-বোল হেৰাল!'—জাকিৰৰ কণ্ঠস্বৰত মই সম্বিৎ ঘূৰাই পালোঁ। তাৰ হাত দুখনত খামোচ মাৰি ধৰি মই জোৰেৰে কৈ উঠিলো -- 'তই পাগল হৈছ নেকি জাকিৰ! তই এইবোৰ কি বলকিছ? মোক বিশ্বাস কৰ ভাই, এই সকলোবোৰ মিছা কথা। আমাৰ গাঁৱত কোনো হিন্দু কমিটি গঠন কৰা হোৱা নাই। সেয়ে দেউতাক তেনে কোনো কমিটিৰ সভাপতি পতাৰ প্ৰশ্নই উঠিব নোৱাৰে। তদুপৰি তহঁতৰ বিৰুদ্ধে কোনো ষড়যন্ত্ৰ কৰাও নাই। সকলোবোৰ ৰটনা ৰাজনীতিৰ নীচ দালাল নছিমৰ চক্ৰান্ত। তহঁত আৰু আমাৰ মাজত কাজিয়া এখন লগাই দি ৰং চোৱা আৰু মুনাফা আদায় কৰাই তাৰ কাম। ••• •• ••• মই শপত খাই কৈছোঁ আমি তহঁতৰ শত্ৰু নহয়, আমি তহঁতৰ বন্ধু।'

মোৰ কথাখিনি শুনাৰ পিচত জাকিৰে মোৰ চকুৰ ফালে খন্তেক ৰ লাগি চাই আছিল। সম্ভৱ তাৰ আউল লগা মনটোক মোৰ কথাৰে প্ৰত্যয় নিওৱাৰ চেষ্টা চলাইছিল। এনেতে জাকিৰৰ গাঁৱৰে জাকিৰৰ বন্ধু জৰিফ দৌৰি আহি আমাৰ কাষত থিয় হ'ল। জাকিৰ আৰু মোৰ ফালে চাই জৰিফে ক'বলৈ ধৰিলে—"তহঁতৰ সব কথা মই অথনিৰে পৰা শুনি আছোঁ। এই সকলো বোৰ বেইমান মন্ত্ৰীৰ ধামাধৰা, বেইমান নছিমৰ কুচক্ৰান্ত। ৰাজনীতিৰ এই দালালবোৰৰ মুখাবোৰ আমি আঁজুৰি পেলাই তাৰ আঁৰত লুকাই থকা কুৎসিৎ মুখবোৰ উদঙাই দিব লাগিব। বিশেষকৈ আমি ডেকাবোৰে কুচক্ৰীসকলৰ হাতৰ পুতুলা হৈ বহি থাকিলে নহ'ব। ………… জাকিৰ, তই নছিমৰ নিচিনা এজন নীচ ব্যক্তিৰ মিছা প্ৰচাৰত পতিয়ন গৈ জীতেনৰ দৰে এজন বন্ধুক সন্দেহ কৰিলি। অকল সন্দেহ কৰাই নহয় অপমানো কৰিলি, অন্তৰ ভাঙি যোৱাকৈ আঘাতো দিলি। কিন্তু সেইখিনি কৰাৰ আগতে তই এটিবাৰো কথাটো চালি-জাৰি নাচালি। নছিমে তাৰ জঘন্য অপপ্ৰচাৰ তোৰ নিচিনাকৈ মোৰ আৰু কেবাজনৰ আগতো কৰি ফুৰিছিল।

পিচে আমি তাৰ কথাত কাণ নিদি কথাটোৰ সত্যতা আছে নে নাই সেইটো বিচাৰ কৰি চালোঁ। অলপ ভুলৈয়ে গম পালোঁ এয়া তাৰ মুনাফা আদায়ৰ এটি নীচ উপায়। ... ..

জৰিফে আৰু কিছু কথা কৈছিল। কিন্তু সেইখিনি শুনাৰ বাবে জাকিৰৰ ধৈৰ্য্য নাছিল। সি জৰিফৰ ফালে চাই চিঞৰি উঠিছিলঃ 'হ'ব জৰিফ ভাই, আৰু নক'বা।' তাৰ পিচ মুহূৰ্ত্ততে সি মোৰ হাত দুখনত খামোছ মাৰি ধৰি কান্দো কান্দো মাতেৰে ক'লে—'মোক ক্ষমা কৰি দিয়া ভাই, জীতেন।' মই ৰ'ব নোৱাৰি তাক সাৱটি ধৰিলোঁ। এইবাৰ জাকিৰে হুকহুকাই কান্দি উঠিল। জৰিফে অমাৰ ফালে চাই এটি তৃপ্তিৰ হাঁহি মাৰিলে। তাৰ হাঁহিটো শাওণৰ মেঘে ঢকা আকাশ ফালি মৰা সূৰ্য্যৰ হাঁহি যেন লাগিল। ★

---

জগতত মাথোন দুটাহে শক্তি আছে—তৰোৱালৰ শক্তি আৰু নৈতিক শক্তি। নৈতিক শক্তিৰ ওচৰত তৰোৱালৰ শক্তিয়ে এদিন পৰাজয় স্বীকাৰ কৰিব লাগিবই।

—নেপলিয়ন ব'নাপাৰ্ট

উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱনব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্য সৃষ্টি হোৱা টান।

—কৃষ্ণকান্ত সন্দিকৈ

---